# মানৱীয় অধিকাৰ সমূহৰ বিশ্বজনীন ঘোষণা

ইংৰাজী ১৯৪৮ চনৰ ১০ ডিচেম্বৰ তাৰিখে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে মানৱীয় অধিকাৰ সমূহৰ বিশ্বজনীন ঘোষণা গ্ৰহণ কৰে আৰু উৎঘোষিত কৰে। ইয়াৰ পাছৰ পৃষ্ঠা কেইটিত ঘোষণাৰ সম্পূৰ্ণ পাঠটো দিয়া হ'ল। এই ঐতিহাসিক উৎঘোষণাৰ পাছতেই, পৰিষদে অন্তৰ্ভুক্ত সকলো দেশলৈ অনুৰোধ জনায়, যাতে, কোনো দেশ নাইবা ৰাজ্যৰ ৰাজনৈতিক অৱস্থাৰ কোনো পাৰ্থক্য নকৰি, এই ঘোষণাটি প্ৰকাশ কৰি সকলোৰে মাজত বিতৰণ কৰে, প্ৰচাৰ কৰে, আৰু মুখ্যত স্কুল আৰু আন শিক্ষানুষ্ঠানত পঢ়ায় আৰু ব্যাখ্যা কৰি বুজাই দিয়ে।

মূল ঘোষণাটো চীন, ইংৰাজী, ফৰাছী, ৰুছ আৰু স্পেনীয়, ৰাষ্ট্ৰসংঘৰ এই পাচোটা ভাষাত পোৱা যায়।

দিয়া পাঠটো ভাৰত চৰকাৰে অনুমোদন কৰিছে।

# মানবীয় অধিকাৰ সমূহৰ বিশ্বজনীন ঘোষণা

## প্ৰস্তাৱনা

যিহেতু মানবগোষ্ঠীৰ প্ৰতি ব্যক্তিৰে স্বাভাবিক মৰ্য্যদা আৰু সমান আৰু অবিচ্ছেদ্য অধিকাৰ সমূহৰ স্বীকৃতিৰ ওপৰতে নিৰ্ভৰ কৰে পৃথিবীৰ স্বাতন্ত্ৰ্য, ন্যায় আৰু শান্তি,

যিহেতু মানবীয় অধিকাৰ সমূহক অবমাননা আৰু অসন্মান কৰাৰ ফলত এনেকুৱা পাশবিক ঘটনা ঘটিছে যি মানুহৰ বিবেকবুদ্ধিক নৃশংস ভাবে আঘাত কৰিছে—; আৰু যিহেতু উৎঘোষণা কৰা হৈছে যে লোক সাধাৰণৰ উচ্চতম আকাঙক্ষা এনেকুৱা এখন পৃথিবীৰ বাবে য'ত মানুহৰ থাকিব বাক স্বাতন্ত্ৰ্য, বিশ্ৰাম স্বাতন্ত্ৰ্য, আৰু য'ত মানুহ হব ভয় আৰু অভাবৰ পৰা মুক্ত,

যিহেতু ই অপৰিহাৰ্য্য যে যদি মানুহে উপায়ান্তৰ হৈ অত্যাচাৰ আৰু উৎপীড়নৰ বিৰুদ্ধে বিদ্ৰোহৰ পন্থা অবলম্বন কৰিবলৈ বাধ্য হব নালাগে, তেনে মানবীয় অধিকাৰ সমূহ বিধি নিয়মৰ দ্বাৰা সংৰক্ষিত হব লাগিব,

যিহেতু ই অপৰিহাৰ্য্য যে ৰাষ্ট্ৰ সমূহৰ মাজত বন্ধুতা-ভাব বঢ়াব লাগিব,

যিহেতু ৰাষ্ট্ৰসংঘৰ সমূহ জাতিয়ে তেওঁলোকৰ চনদত মানবীয় মৌলিক অধিকাৰ সমূহৰ ওপৰত, ব্যক্তি মৰ্য্যদা আৰু ব্যক্তি যোগ্যতাৰ ওপৰত, মতা-তিৰোতা সকলোৰে সমান অধিকাৰৰ ওপৰত, পুনৰ আস্থা স্থাপন কৰিছে; আৰু যিহেতু এক পূৰ্ণতৰ স্বাতন্ত্ৰ্যৰ মাজত সমাজৰ উদগতি

সাধিবলৈ আৰু জীৱন-যাত্ৰাৰ মান উন্নততৰ কৰিবলৈ এই সংঘই মনস্থ কৰিছে,

যিহেতু ৰাষ্ট্ৰ সংঘৰ অন্তৰ্ভুক্ত ৰাষ্ট্ৰ সমূহে, ৰাষ্ট্ৰ সংঘৰ সহযোগেদি, মানবীয় অধিকাৰ আৰু মৌলিক স্বতন্ত্ৰতা ৰক্ষা কৰাৰ অৰ্থে আৰু তাৰ প্ৰতি বিশ্বজনীন সন্মান জগাবৰ অৰ্থে প্ৰতিজ্ঞাবদ্ধ হৈছে,

যিহেতু এই প্ৰতিজ্ঞা পালনৰ অৰ্থে, এই অধিকাৰ আৰু স্বাতন্ত্ৰ্যৰ সম্যক আৰু সাধাৰণ উপলব্ধি নিতান্ত প্ৰয়োজনীয়,

## সেইহেতুকে এতিয়া
## সাধাৰণ পৰিষদে
## উৎঘোষিত কৰিছে

এই মানবীয় অধিকাৰ সমূহৰ বিশ্বজনীন ঘোষণা। ই হৰ লোক সমূহৰ বাবে আৰু ৰাষ্ট্ৰসমূহৰ বাবে প্ৰগতিৰ এক সাধাৰণ মান। ইয়াৰ উদ্দেশ্য হ'ল যে এই ঘোষণা সৰ্ব্বদায় মনত ৰাখি প্ৰতিব্যক্তি আৰু সমাজৰ প্ৰতি সদাই শিক্ষা আৰু বুজনিৰ দ্বাৰা এই অধিকাৰ আৰু স্বাতন্ত্ৰ্যৰ প্ৰতি শ্ৰদ্ধা জগাই তুলিবলৈ চেষ্টা কৰিব, আৰু অন্তৰ্ভুক্ত ৰাষ্ট্ৰ সমূহৰ স্বকীয় ক্ষেত্ৰাধিকাৰত অথবা নিজ ক্ষেত্ৰাধিকাৰৰ আন লোক সমূহৰ মাজত, ৰাষ্ট্ৰীয় নাইবা আন্তঃ-ৰাষ্ট্ৰীয় প্ৰগতি মূলক ব্যবস্থাৰ দ্বাৰা ইয়াৰ স্বীকৃতি আৰু পালনৰ ব্যৱস্থা কৰিব।

১ম অনুচ্ছেদ — জন্মগত ভাবে সকলো মানুহ

মৰ্য্যদা আৰু অধিকাৰত সমান আৰু স্বতন্ত্ৰ। তেওঁলোকৰ বিবেক আছে, বুদ্ধি আছে। তেওঁলোকে প্ৰত্যেকে প্ৰত্যেকক ভ্ৰাতৃ ভাবে ব্যৱহাৰ কৰা উচিত।

২য় অনু---(১) জাতি, বৰ্ণ, লিঙ্গ, ভাষা, ধৰ্ম, ৰাজনৈতিক বা আন কোনো মত, ৰাষ্ট্ৰগত অথবা সমাজগত বৈষম্য সা-সম্পত্তি, জন্ম নাইবা আন সামাজিক স্থান,—এই বিলাকৰ কোনো পাৰ্থক্য নোহোৱাকৈ, প্ৰতি ব্যক্তিৰে, এই ঘোষণাত থকা অধিকাৰ স্বতন্ত্ৰতাৰ ওপৰত দাবী থাকিব।

(২) অধিকন্তু, যি দেশ নাইবা ৰাজ্যত কোনো ব্যক্তিৰ জন্ম, সেই দেশ বা ৰাজ্যৰ ৰাজনৈতিক, আন্তঃৰাষ্ট্ৰিক নাইবা ক্ষেত্ৰাধিকাৰ সম্বন্ধীয় কোনো বৈষম্যৰ ওপৰত কোনো পাৰ্থক্য কৰা নহব, সেই দেশ স্বাধীনে হওক বা ন্যাসজাতীয় হওক বা অনাস্বশাসিত বা তাৰ সম্পূৰ্ণ প্ৰভুত্ব আন কোনো ভাবে সীমাবদ্ধই হওক।

৩য় অনু---সকলোৰে নিজৰ জীৱন আৰু ব্যক্তিনিৰাপত্তা সম্বন্ধে অধিকাৰ থাকিব।

৪র্থ অনু—কোনো ব্যক্তিকে দাসত্বত বা দাসবৃত্তিত ৰাখিব নোৱাৰিব। যেই কোনো প্ৰকাৰ দাসপ্ৰথা আৰু দাস বেপাৰ নিষিদ্ধ হব।

৫ম অনু কোনো মানুহক উৎপীড়ন কৰা নহব, নাইবা তেনে শাস্তি দিয়া নহব।

৬ষ্ঠ অনু—সকলো ঠাইতে প্ৰতিব্যক্তিৰে, বিধিৰ ক্ষেত্ৰত ব্যক্তি হিচাবে স্বীকৃত হোৱাৰ অধিকাৰ থাকিব ।

৭ম অনু—বিধিৰ প্ৰত্যেক ক্ষেত্ৰত প্ৰত্যেকেৰ সমান; আৰু কোনো পাৰ্থক্য নোহোৱাকৈ বিধিৰ সমান সংৰক্ষণৰ অধিকাৰী; এই ঘোষণা অমান্য কৰি, স্বভাব পাৰ্থক্য দেখুৱাৰ খুজিলে বা তেনেকুৱা পাৰ্থক্যৰ বাবে উচটনি দিলে তাৰ বিৰুদ্ধে সমান সংৰক্ষণৰ বাবে সকলোৰে অধিকাৰ থাকিব ।

৮ম অনু—যি কাৰ্য্যই কোনো ব্যক্তিৰ সংবিধানদত্ত বিধি-দত্ত মৌলিক অধিকাৰ সমূহ খৰ্ব্ব কৰে, সেই কাৰ্য্যৰ কাৰ্যকৰী প্ৰতিষেধক ব্যৱস্থাৰ বাবে ৰাষ্ট্ৰীয় ন্যায়াধিকৰণৰ ওচৰত প্ৰতি ব্যক্তিৰে অধিকাৰ থাকিব ।

৯ম অনু—কোনো ব্যক্তিকে যুক্তি নোহোৱাকৈ বন্দী কৰিব নোৱাৰিব, নিৰোধ কৰিব নোৱাৰিব বা বহিষ্কাৰ কৰিব নোৱাৰিব ।

১০ম অনু—কোনো ব্যক্তিৰ অধিকাৰ আৰু কৰ্ত্তব্য নিৰ্ণয় ক্ষেত্ৰত; নাইবা তেওঁৰ বিৰুদ্ধে কোনো অপৰাধ অভিযোগৰ ক্ষেত্ৰত, ন্যায় আৰু মুক্ত বিচাৰৰ বাবে, কোনো স্বাধীন আৰু নিৰপেক্ষ ন্যায়াধিকৰণৰ ওচৰত তেওঁৰ সমান আৰু সম্পূৰ্ণ অধিকাৰ থাকিব ।

১১শ অনু—(১) যদি কোনো ব্যক্তিক শাস্তিমূলক অপৰাধত অভিযুক্ত কৰা হয়, তেনে, নিজকে নিৰ্দ্দোষী প্ৰমাণ কৰাৰ সকলো সুবিধা দিয়াৰ পাছত,
বিধিসন্মত ভাবে লোকবিচাৰত দোষী সাব্যস্ত নোহোৱা

পৰ্য্যন্ত তেওঁক নিৰ্দ্দোষী বুলি ধৰিব লাগিব,—এই অধিকাৰ সকলোৰে থাকিব।

(২) যি সময়ত কোনো এটা শাস্তিমূলক অপৰাধ ৰাষ্ট্ৰীয় নাইবা আন্তঃৰাষ্ট্ৰীয় বিধিমতে শাস্তিমূলক অপৰাধ বুলি গণ্য কৰা নহৈছিল, সেই সময়ত কৰা তেনেকুৱা অপৰাধৰ বাবে পাছত কোনো ব্যক্তিকে সেই অপৰাধত দোষী বুলি ধৰিব নোৱাৰিব; নাইবা সেই সময়ত যেনেকুৱা শাস্তিৰ ব্যৱস্থা আছিল, পাছত তাতকৈ গধুৰ শাস্তিৰ বিধান কৰিব নোৱাৰিব;

১২শ অনু—কোনো ব্যক্তিৰে স্বকীয় গোপনতা, ঘৰ পৰিবাৰ বা চিঠি বিনিময়ত কোনোৱে খামখিয়ালিকৈ হস্তক্ষেপ কৰিব নোৱাৰিব; অথবা তেওঁৰ মৰ্য্যদা আৰু সুনামৰ ওপৰত আক্ৰমণ কৰিব নোৱাৰিব। এনেকুৱা হস্তক্ষেপ বা আক্ৰমণৰ বিৰুদ্ধে বিধি-সংৰক্ষণৰ বাবে প্ৰত্যেকৰে অধিকাৰ থাকিব।

১৩শ অনু—(১) প্ৰতি ৰাজ্যৰ সীমাৰ ভিতৰত প্ৰতি ব্যক্তিৰে আবাস স্বাতন্ত্ৰ্য আৰু গতি স্বাতন্ত্ৰ্য থাকিব।

(২) প্ৰতি ব্যক্তিৰে তেওঁৰ নিজৰ দেশ বা আন কোনো দেশ পৰিত্যাগ কৰাৰ অধিকাৰ থাকিব আৰো নিজ দেশলৈ প্ৰত্যাবৰ্ত্তনৰো অধিকাৰ থকিব।

১৪শ অনু—(১) শাস্তিৰ পৰা অব্যাহতি পাবৰ অৰ্থে প্ৰতি ব্যক্তিৰে আন দেশত আশ্ৰয় বিচাৰিবৰ বাবে আৰু গ্ৰহণ কৰিবৰ বাবে অধিকাৰ থাকিব।

(২) কিন্তু কোনো অ-ৰাজনৈতিক অপৰাধৰ বাবে যদি কাৰো বিৰুদ্ধে অভিযোগ উপস্থিত কৰা হয়, নাইবা সেই অপৰাধ যদি ৰাষ্ট্ৰসংঘৰ উদ্দেশ্য আৰু নীতিৰ পৰিপন্থী হয়, তেনে সেই ক্ষেত্ৰত এই অধিকাৰৰ দাবী কৰিব নোৱাৰিব ।

১৫শ অনু—(১) কোনো এক ৰাষ্ট্ৰৰ অন্তৰ্ভুক্ত হবৰ বাবে প্ৰতি ব্যক্তিৰে অধিকাৰ থাকিব ।

(২) স্বকীয় ৰাষ্ট্ৰীয়তাৰ পৰা কোনো ব্যক্তিকে অযুক্তিকৰ ভাবে বঞ্চিত কৰিব নোৱাৰিব নাইবা স্বৰাষ্ট্ৰ পৰিত্যাগ কৰি অন্য গ্ৰহণ কৰাৰ অধিকাৰতো বাধা দিব নোৱাৰিব ।

১৬শ অনু—(১) পূৰ্ণবয়স্ক মতা-তিৰোতাৰ বৈবাহিক গৃহস্থী স্থাপন কৰাৰ অধিকাৰ থাকিব । ইয়াত জাতি, ৰাষ্ট্ৰ আৰু ধৰ্ম্মৰ ফালৰ পৰা কোনো পৰিসীমা থাকিব নোৱাৰিব । বিয়াৰ সময়ত, বিয়াৰ পাছত আৰু বিয়া ভঙ্গ হৈ যোৱাৰ পাছত তেওঁলোকৰ সমান অধিকাৰ থাকিব ।

(২) দৰা-কন্যাৰ স্বাধীন আৰু পূৰ্ণ সম্মতিৰ পাছত হে বিয়া হব পাৰিব ।

(৩) প্ৰত্যেক পৰিয়াল সমাজৰ এক স্বাভাৱিক আৰু মৌলিক অঙ্গ সমষ্টি । সেইহেতুকে ই সমাজ আৰু ৰাজ্যৰ পৰা সংৰক্ষণৰ দাবী কৰিব পাৰিব ।

১৭শ অনু—(১) ব্যক্তিগত ভাবে আৰু মিলিত

[illegible]

ভাবে সম্পত্তিৰ স্বামিত্বৰ বাবে প্ৰতি ব্যক্তিৰে অধিকাৰ থাকিব ।

(২) যুক্তি নোহোৱাকৈ কোনো ব্যক্তিকে নিজ সম্পত্তিৰ পৰা বঞ্চিত কৰিব নোৱাৰিব ।

১৮শ অনু—প্ৰতি ব্যক্তিৰে চিন্তা-স্বাতন্ত্ৰ্য, বিবেক-স্বাতন্ত্ৰ্য, ধৰ্মস্বাতন্ত্ৰ্যৰ অধিকাৰ থাকিব । এই অধিকাৰৰ ভিতৰতে স্ব ধৰ্ম আৰু বিশ্বাস পৰিত্যাগ কৰাৰ অধিকাৰো থাকিব । আৰু অকলে নাইবা মিলিত ভাবে, গোপনে বা সামাজিক ভাবে তেওঁৰ ধৰ্ম্ম বা বিশ্বাস,—শিক্ষা, প্ৰাৰ্থনা, উপাসনা পালন আদি কাৰ্য্যৰ দ্বাৰা প্ৰকাশ কৰিব পাৰিব ।

১৯শ অনু—প্ৰতি ব্যক্তিৰে মত-স্বাতন্ত্ৰ্য থাকিব আৰু সেইমত প্ৰকাশৰ অধিকাৰ থাকিব । কোনো বাধা নোহোৱাকৈ কোনো মত অবলম্বন কৰাৰ অধিকাৰ থাকিব, আৰু ৰাজ্যৰ সীমান্তৰ কোনো বাধা নোহোৱাকৈ ভাবধাৰা আৰু সমাচাৰ কোনো উপায়ে গ্ৰহণ কৰিব পাৰিব আৰু প্ৰেৰণ কৰিব পাৰিব ।

২০শ অনু—(১) প্ৰতিব্যক্তিৰে শান্তিপূৰ্ণভাবে সভা আৰু সংঘ পতাৰ অধিকাৰ থাকিব ।

(২) কোনো নিৰ্দ্দিষ্ট সংঘৰ সভ্য হবলৈ কোনো ব্যক্তিকে বাধ্য কৰিব নোৱাৰিব ।

২১শ অনু—(১) স্বাধীন ভাবে বাচি দিয়া প্ৰতিনিধিৰ যোগেদি, নাইবা পোনপটীয়াকৈ নিজৰ দেশ প্ৰশাসনত প্ৰত্যেকে অংশ গ্ৰহণ কৰিব পাৰিব ।

(২) নিজৰ দেশৰ লোক সেৱাৰ বাবে প্ৰত্যেকৰে সমান দাবী থাকিব।

(৩) লোকমতেই হব প্ৰশাসনীয় প্ৰাধিকাৰৰ ভেটি। এই মত সময়ে সময়ে আৰু সাৰ্ব্বজনীন মতাধিকাৰৰ, আৰু গোপন ভোটদান নাইবা আন তেনেকুৱা ভোটদান প্ৰথাৰ, নিৰ্ব্বাচনৰ দ্বাৰা প্ৰকাশ কৰিব।

২২শ অনু—সমাজৰ সভ্য হিচাপে প্ৰত্যেকে সামাজিক সংৰক্ষণৰ অধিকাৰী হব পাৰিব। আৰু ৰাষ্ট্ৰীয় চেষ্টা আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগৰ যোগেদি আৰু প্ৰতি ৰাজ্যৰ সংগঠন আৰু সম্প অনুসৰি স্বকীয় মৰ্য্যাদা আৰু নিজ ব্যক্তিত্বৰ পূৰ্ণতাৰ বাবে অপৰিহাৰ্য্য বিত্তীয়, সামাজিক আৰু কৃষ্টিমূলক অধিকাৰ সমূহৰ দাবী কৰিব পাৰিব।

২৩শ অনু—(১) প্ৰত্যেকৰে কৰ্ম-অধিকাৰ থাকিব নিয়োগ সম্বন্ধে স্বাধীন মত থাকিব, কৰ্মৰ অনুকূল ব্যৱস্থাৰ দাবী থাকিব আৰু বেকাৰ অৱস্থাৰ বিৰুদ্ধে সংৰক্ষণৰ দাবী থাকিব।

(২) কোনো বৈষম্য নোহোৱাকৈ, সমান কাৰ্য্যৰ সমান বেতনৰ বাবে প্ৰত্যেকৰ দাবী থাকিব।

(৩) যি সকলে কাম কৰে, মানবীয় মৰ্য্যাদা অনুসৰি নিজৰ আৰু পৰিয়ালৰ প্ৰতিপালনৰ অৰ্থে ন্যায্য পাৰিশ্ৰমিকৰ বাবে তেওঁলোকৰ দাবী থাকিব; আৰু আৱশ্যক হলে আন সামাজিক উপায়ে তেওঁলোকৰ সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগিব।

(৪) নিজ নিজ স্বাৰ্থ সংৰক্ষণৰ অৰ্থে কাৰ্ম্মিক সংঘ স্থাপন কৰাত নাইবা এই সংঘত যোগদান দিয়াত সকলোৰে অধিকাৰ থাকিব

২৪শ অনু—বেতনসহ সময়ে সময়ে বন্ধ উপভোগ কৰি, আৰু নিৰ্দ্দিষ্ট ন্যায্য সময়ৰ বাবে কাম কৰি, বিৰতি আৰু বিশ্ৰাম লভিবলৈ সকলোৰে অধিকাৰ থাকিব।

২৫শ অনু—(১) খাদ্য, বস্ত্ৰ, আবাস, চিকিৎসা-ব্যৱস্থা আৰু আন সামাজিক সেৱা আদি লৈ নিজৰ আৰু নিজ পৰিয়ালৰ স্বাস্থ্য আৰু উন্নতিৰ জোখাৰে জীৱন-যাত্ৰাৰ মান পাবলৈ প্ৰতি ব্যক্তিৰে অধিকাৰ থাকিব। বেকাৰ অৱস্থা হলে, বা যি পৰিস্থিতি নিজ শক্তিৰ বাহিৰত তেনেকুৱা পৰিস্থিতিত পৰি আৰ্জনৰ পথ বন্ধ হলে, সংৰক্ষণৰ ব্যৱস্থা থাকিব লাগিব।

(২) মাতৃ আৰু শিশুৰ বিশেষ যত্ন আৰু সাহায্যৰ দাবী থাকিব। বিবাহজনিত হওক বা নহওক, সকলো শিশুৰে সমান সামাজিক সংৰক্ষণ ব্যৱস্থাৰ বাবে দাবী থাকিব।

২৬শ অনু—(১) প্ৰতি ব্যক্তিয়ে শিক্ষাৰ দাবী কৰিব পাৰিব। শিক্ষাত কোনো কৰ নাথাকিব—অন্ততঃ প্ৰাথমিক আৰু মৌলিক শিক্ষাত। প্ৰাথমিক শিক্ষা বাধ্যতামূলক হব। কাৰ্য্যকৰী আৰু ব্যৱসায়ী শিক্ষা সাধাৰণতে সকলোৰে বাবে সুলভ্য হব লাগিব আৰু উচ্চ

শিক্ষাও গুণ আৰু যোগ্যতা অনুসৰি সকলোৰে বাবে সুলভ্য হব লাগিব ।

(২) শিক্ষা এনেকুৱা হব যি মানুহৰ ব্যক্তিত্ব সম্পূর্ণ ফুটাই তুলিব আৰু মানবীয় অধিকাৰ আৰু মৌলিক স্বাতন্ত্র্যৰ প্রতি শ্রদ্ধা দৃঢ়তৰ কৰিব । সমস্ত ৰাষ্ট্ৰৰ মাজত জাতিগত আৰু ধৰ্ম্মগত সমষ্টিবিলাকৰ মাজত ই জগাই তুলিব পৰস্পৰ বিশ্বাস, সহনশীলতা আৰু বন্ধুতা, আৰু ৰাষ্ট্রসংঘৰ শান্তি ৰক্ষাৰ প্রচেষ্টাত দিব অগ্রগতি ।

(৩) লৰা-ছোৱালীক কি শিক্ষা দিব লাগিব, সেই সম্বন্ধে প্রথম অভিমত মাক-বাপেকৰ থাকিব ।

২৭শ অনু—সামাজিক কৃষ্টিমূলক জীৱনত যোগদান দিবলৈ প্রতি ব্যক্তিৰে অধিকাৰ থাকিব । কলা-আনন্দ উপভোগ কৰিবলৈ আৰু বৈজ্ঞানিক অগ্রগতি আৰু তদজাত ফলৰ অংশ গ্ৰহণ কৰিবলৈ সকলোৰে অধিকাৰ থাকিব ।

(২) স্বৰচিত বৈজ্ঞানিক, সাহিত্যিক বা কলামূলক অবদানৰ ফল স্বৰূপে হোৱা নৈতিক আৰু আৰ্থিক স্বাৰ্থ সংৰক্ষণৰ অধিকাৰ প্রতি ব্যক্তিৰে থাকিব ।

২৮শ অনু— যি সামাজিক আৰু আন্তঃৰাষ্ট্ৰীক অৱস্থাত এই ঘোষণাত থকা অধিকাৰ আৰু স্বাতন্ত্ৰ্যৰ—পূর্ণ উপলব্ধি হব পাৰে, তেনেকুৱা অৱস্থাৰ বাবে সকলোৰে দাবী থাকিব ।

২৯শ অনু—(১) সি সমাজত কেৱল, কোনো

ব্যক্তিৰ পূৰ্ণ ব্যক্তিত্ব বিকাশ সম্ভৱপৰ সেই সমাজৰ প্ৰতি সেই ব্যক্তিৰ কৰ্ত্তব্য থাকিব ।

(২) অধিকাৰ আৰু স্বাতন্ত্ৰ্যৰ বাটত প্ৰতি ব্যক্তিবেৰ মাত্ৰ সেই পৰিসীমা থাকিব যি অন্য ব্যক্তিৰ অধিকাৰ আৰু স্বাতন্ত্ৰ্যৰ স্বীকৃতি আৰু মৰ্য্যদা সংৰক্ষণৰ অৰ্থেহে বিধি-নিবন্ধ, আৰু গণতান্ত্ৰিক সমাজত নীতি, লোক সংগঠন আৰু সাধাৰণ কল্যাণৰ প্ৰতিকাৰৰ অৰ্থেহে যাৰ প্ৰয়োজন ।

(৩) ৰাষ্ট্ৰসংঘৰ নীতি আৰু উদ্দেশ্যৰ পৰিপন্থী-ৰূপে কেতিয়াও এই অধিকাৰ আৰু স্বতন্ত্ৰতা ব্যৱহাৰ কৰিব নোৱাৰিব ।

৩০শ অনু—এই ঘোষণাৰ এনে কোনো অৰ্থ কৰিব নোৱাৰিব যাৰ দ্বাৰা এইটো বুজাই যে কোনো ৰাজ্য বা সমষ্টি বা ব্যক্তি বিশেষৰ ইয়াত উল্লিখিত অধিকাৰ আৰু স্বাতন্ত্ৰ্য ধ্বংস কৰাৰ উদ্দেশ্যে কোনো কাৰ্য্য কৰাৰ বা তেনে কাৰ্য্যত লিপ্ত হোৱাৰ অধিকাৰ আছে ।